# ICSE SEMESTER 2 EXAMINATION

## SPECIMEN QUESTION PAPER

## ASSAMESE

## [SECOND LANGUAGE]

---

*Maximum Marks : 40*

*Time allowed: One and a half hours*

*You will not be allowed to write during the first 10 minutes.*

*This time is to be spent in reading the question paper.*

***SECTION A is compulsory.***

***SECTION B** — Answer questions from **any two books** that you have studied.*

*The intended marks for questions or parts of questions are given in brackets [ ].*

---

## SECTION —A

**Question 1**

Write a short composition in **Assamese** of approximately **200** words on any **one** of the following topics:- **[12]**

তলত দিয়া বিষয় কেইটাৰ পৰা যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **২০০**টা শব্দৰ ভিতৰত **এখনি** ৰচনা লিখা:-

(i) 'দুখ কৰিলেহে মুখ ভৰে' — 'no pain no gain' এই প্ৰৱচন ফাকি ব্যৱহাৰ কৰি এটি গল্প নাইবা এখনি ৰচনা লিখা।

(ii) আজিৰ নাৰী চাৰিবেৰৰ পৰা ওলাই জীৱিকাৰ বাবে অফিচ-কাছাৰীমুখী হৈছে। তোমাৰ মাও তেনে এগৰাকী মহিলা। এই দ্বৈত (dwell) ভূমিকা পালন কৰোঁতে তোমাৰ মা তথা প্ৰত্যেকগৰাকী নাৰীয়ে মুখামুখি হোৱা পৰিস্থিতিৰ বিষয়ে তোমাৰ মতামত আগবঢ়োৱা।

(iii) ছাত্ৰ-ছাত্ৰী তথা মানুহৰ জীৱনত ভ্ৰমণৰ প্ৰয়োজনীয়তা কি ? এই বিষয়ে তোমাৰ মতামত ব্যক্ত কৰি এখন ৰচনা লিখা।

(iv) 'শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰে' — কথাষাৰ কিমানদূৰ সঁচা ? কথাষাৰৰ শুদ্ধাশুদ্ধ বিচাৰ কৰি এখন ৰচনা লিখা।


© Copyright reserved.

(v) তলত দিয়া ছবিখন ভালদৰে অধ্যয়ন কৰি সেইখনৰ লগত সংগতি ৰাখি এখনি **ৰচনা** নাইবা এটি **গল্প** লিখা। তোমাৰ লিখনিৰ সৈতে ছবিখনৰ সম্বন্ধ থাকিব লাগিব। গল্প নাইবা ৰচনাখনিৰ শীৰ্ষক দিবলৈ নাপাহৰিবা।



**Question 2**

Write a letter in **Assamese** in approximately **120** words on any **one** of the topics given below:- **[8]**

তলত দিয়া যিকোনো এটা বিষয় বাচি লৈ আনুমানিক **১২০** টা শব্দৰ ভিতৰত **এখন** চিঠি লিখা:-

**EITHER**

ধৰি লোৱা এদিন তুমি তোমাৰ ঘৰৰ ওচৰৰ তোমাৰ দেউতাৰাৰ বয়সৰ এজন মানুহৰ লগত অভদ্ৰ ব্যৱহাৰ কৰিলা। পাছত তুমি বুজি পালা যে প্ৰকৃততে তোমাৰহে ভুল আছিল, তেওঁৰ নাছিল। গতিকে সেই ভুল তথা অভদ্ৰ ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰি তেওঁলৈ এখন চিঠি লিখা।

**OR**

ধৰি লোৱা হ'ল তোমাৰ জিলাত সকলো সময়তে জাবৰ-জোঁথৰৰ দ'ম দেখা পোৱা যায়। এইবোৰৰ বাবে তোমাৰ চহৰখনৰ সৌন্দৰ্য হানি হোৱাৰ লগতে প্ৰদূষণৰ সমস্যাৰো সৃষ্টি হৈছে। সেই সমস্যা সমাধানৰ বাবে অনুৰোধ জনাই তোমাৰ জিলাৰ পৌৰসভাৰ (municipality) নিগমাধ্যক্ষলৈ (মেয়ৰ) এখন আৱেদন পত্ৰ লিখা।

## SECTION—B

*(Answer questions from any of the two books you have studied.)*

## অসমীয়া চুটি গল্পৰ প্ৰবাহ

## ASOMIYA SUTI GALPAR PRABAH

**Question 3**

Read the extract given from the stories mentioned below and answer the questions that follow:-

তলত দিয়া সকলো প্ৰশ্নৰ উত্তৰ কৰাটো বাধ্যতামূলক :-

(i) "মিছেছ ফিল্ডৰ ড্ৰইং ৰুমৰ পাতল নীলা ৰঙৰ বেৰত আঁৰি থোৱা পাগুৰি মৰা মানুহ এজনৰ ছবি এখনলৈ মোৰ চকু গ'ল। "কাৰ ছবি এইখন ?"— সুধিলোঁ। "আমাৰ বঙলাৰে বুঢ়া চকীদাৰ ৰামলালৰ।"

মিছেছ ফিল্ডৰ ড্ৰইং ৰুমৰ বেৰত বঙলাৰ বুঢ়া চকীদাৰ ৰামলালৰ ছবি আঁৰি থোৱা কথাই মিছেছ ফিল্ডৰ কোনটো দিশ ফুটাই তুলিছে ? **[2]**

(ii) "বাৰুকৈ সোন্দৰ পামত হাস্পাতালখন নোহোৱা হ'লে সি চলিবই নোৱাৰিলেহেঁতেন। এমুঠি অন্নৰ কাৰণে হাহাকাৰ কৰিব লাগিলহেঁতেন।".....

বিহুৰ উৰুকাৰ দিনা মুকুটৰ মনৰ অৱস্থা ইমান দুখ লগা হোৱাৰ কাৰণ কি ? ভানুৱে তাৰ অসুখ নেকি বুলি সোধোঁতে সি কি বুলি কৈছিল ? **[2]**

(iii) সত্যেনে ক'লে "যদি দিয়ে অমলাক মই বিয়া কৰাম বুলি ভাবিছোঁ।".....

সত্যেন উকীলে নিজেই আগ্ৰহেৰে অমলাৰ সৈতে ঠিক কৰা বিয়াখন কিয় ভাঙিলে আৰু সেই বিষয়ে কি ব্যাখ্যা আগবঢ়ালে ? **[3]**

(iv) "ধনেশ্বৰৰ ঘৈণীয়েকে পিছফালৰ পৰা চিঞৰ ধৰিলে, "তাচ খেলিয়ে কলং পাৰত বেলিটো শেষ নকৰিবা।"

গাঁৱৰ ল'ৰাহঁতৰ বিষয়ে তাচৰ আড্ডাত বহি জয়ধন, ধনেশ্বৰহঁতে কি কি আলোচনা কৰিছিল ? **[3]**

## সাউদৰ পুতেকে নাও মেলি যায় (হোমেন বৰগোহাঞি)

## SAUDOR PUTEKE NAO MELI JAI (HOMEN BORGOHAIN)

**Question 4**

Read the extract given from the NOVEL mentioned below and answer the questions that follow:-

তলত দিয়া সকলো প্ৰশ্নৰ উত্তৰ কৰাটো বাধ্যতামূলক :-

(i) "মই আৰু দুলালে কাইলৈকে যোগেন দদাইদেউৰ ওচৰলৈ যাম।".....

লাইব্ৰেৰী গঠনৰ বিষয়ে ফুটবল ফিল্ডত আবেলি পতা মিটিংখনৰ বিষয়ে সবিশেষ লিখা। **[2]**

(ii) "বিক্ৰমে কবিতা লিখিবলৈ আৰম্ভ কৰিছিল সেইদিনা — যিদিনা ৰেণু আৰু তাৰ চাৰি চকুৰ মিলন হৈছিল।".....

চাৰি চকুৰ মিলনৰ কথা বিক্ৰমৰ দৰে সৰু ল'ৰা এটাই বুজিব পাৰে বুলি ভাবিব পাৰি নে ? সি কিয় এই বাক্যাংশ ব্যৱহাৰ কৰিছে ? **[2]**

(iii) "কিন্তু বিক্ৰমৰ মনৰ ভিতৰত যি গভীৰ সঙ্কটে দেখা দিছিল।"

'ব্ৰহ্মচৰ্য' নামৰ কিতাপখনে বিক্ৰমৰ মনত গভীৰ সঙ্কট সৃষ্টি কৰাৰ কাৰণ কি আছিল ? **[3]**

(iv) "এই অপ্ৰত্যাশিত সৌভাগ্যৰ সংবাদ শুনি আনন্দত বিক্ৰমৰ জঁপিয়াই উঠিবলৈ মন গ'ল।"

দোকমোকালিতে উঠি পুৱতিৰ আকাশত জিলিকি থকা শেষ তৰাকেইটালৈ চাই সি কি ভাবিলে ? সি কাৰ কাৰ পৰা বিদায় লৈ অদূৰ ভৱিষ্যতৰ সপোন দেখিলে ? **[3]**

## কবিতা মঞ্জৰী

## KABITA MONJORI

**Question 5**

Read the extract given from the Poem mentioned below and answer the questions that follow:-

তলত দিয়া সকলো প্ৰশ্নৰ উত্তৰ কৰাটো বাধ্যতামূলক :-

(i) "মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ, মোৰ দেশ।"

পৃথিৱীৰ অৰঙে দৰঙে ঘূৰি-ফুৰি কবিয়ে কেনে অনুভৱ কৰিছে ? **[2]**

(ii) “মানুহটো বাৰু তোৰ

আহিলনে ঘূৰি

মাজিৰাতি বেৰৰ জলঙাৰে

সোমায় নে নদী।”

গাঁওখনৰ খবৰ ল’বলৈ গৈ কবিয়ে বাইক কি কি প্ৰশ্ন কৰিছে আৰু কোন মানুহটো ক’লৈ ঘূৰি অহাৰ কথা কৈছে বুলি ভাবা ? **[2]**

(iii) “মই ব্যতিক্ৰম ? নহয়, নহয় !

মই, মই যে মাথোঁ চিৰন্তন নাৰী”

“দ্ৰোপদী” কবিতাত কবিয়ে দ্ৰোপদীৰ মুখেৰে কোৱাইছে — “মই ব্যতিক্ৰম ? নহয়, নহয় —” কথাখিনিৰ মাজেদি দ্ৰোপদীয়ে নিজকে কি হিচাপে তুলি ধৰিছে ? **[3]**

(iv) “তোমাৰ সৃষ্টি কদাকাৰ কৰা মামৰৰ দ’ম

বিশ্বৰ পৰা সাৰি-পুছি ময়েই গৰাকী হম।”

ভগৱানে যদি তেওঁক সোধে সাৰি-পুছি জাবৰ-জোঁথৰবোৰ কবিয়ে ক’ত পেলাব তাৰ উত্তৰত কবিয়ে কি ক’ব ? **[3]**

## কাৰেঙৰ লিগিৰী

## KARENGAR LIGIRI

## ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

**Question 6**

Read the extract given from the Drama mentioned below and answer the questions that follow:-

(i) “সুন্দৰ : শেৱালি ক’লৈ গ’ল ? (ৰাজমাও লাহে লাহে সোমাই আহোঁতেই সুন্দৰে ৰাজমাওলৈ বাঘে চোৱাদি চায়)

বপুৰাই শেৱালিৰ বিষয়ে কি খবৰ দিলে আৰু কি কি ক’লে ? কথাবোৰ শুনি সুন্দৰে কেনেদৰে প্ৰতিক্ৰিয়া কৰিলে আৰু সুদৰ্শনে তেতিয়া সুন্দৰক কি বুলি বুজনি দিছিল? **[2]**

(ii) সুদৰ্শন : (মূৰ দাঙি) সুন্দৰ, তোমাৰ এই সংকল্প এৰা।

সুন্দৰ : সুন্দৰে সংকল্প কৰে, কিন্তু সংকল্প নেৰে।

সুন্দৰে কি সংকল্প কৰিছিল আৰু কিয় কৰিছিল ? তেওঁৰ কোনটো কামে ডাঙৰীয়া সকলক অসন্তুষ্ট কৰিছিল ? **[2]**

(iii) "শেৱালি : ইয়াকে বোলে কপালৰ লিখন। ক'ৰ শেৱালি ক'ত আছিলো..........।"

জুৰিৰ পানীত মুখ ধুই আহি চাওদাংহঁতক দেখা নেপাই শেৱালিয়ে কেনেধৰণে কান্দি-কাটি বলীয়া হৈছিল তাৰ এটি আভাস দিয়া। **[3]**

(iv) "ৰাজমাও : (সুন্দৰক দেখিয়ে খঙত বেজাৰত জৰ্জৰিত হোৱা হেন হয় আৰু থোকাথুকিকৈ) তই - তই - কি - কি হ'ব খুজিছ ? বলিয়া হ'লিনে ? পগলা হ'লিগৈ ? কি হ'লি।"

ৰাজমাওৰ কথাৰ উত্তৰত সুন্দৰে তেওঁক কি কি ক'লে ? **[3]**